Total No. of Printed Pages—3

**1 SEM FYUGP MINASM1**

**2025**

( November )

ASSAMESE

( Minor )

Paper : MINASM1

**( অসমৰ ভাষা আৰু লিপি )**

*Full Marks* : 60 (80 for 2023 Batch)

*Time* : 2 hours (3 hours for 2023 Batch)

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ (যি কোনো ছয়টা) : ১×৬=৬

(ক) খামতি ভাষা কোনটো ভাষা-পৰিয়ালৰ অন্তৰ্গত?

(খ) অসমীয়া ভাষাৰ দন্তমূলীয় বিশিষ্ট ব্যঞ্জনধ্বনিৰ এটা উদাহৰণ দিয়াঁ।

(গ) অসমীয়া ভাষাৰ একমাত্ৰ বিশিষ্ট কণ্ঠ-নালীয় ব্যঞ্জনধ্বনিটো কি?

(ঘ) কামৰূপী উপভাষাত শ্বাসাঘাত শব্দৰ কোন অক্ষৰত পৰে?

(ঙ) 'টি' বা 'তি' শব্দৰে গঠিত টিহু, নামতি আদি স্থানবাচক শব্দবোৰ অসমীয়ালৈ কোন ভাষাৰ পৰা অহা বুলি অনুমান কৰা হৈছে?

(চ) অসমীয়া ভাষাৰ মহাপ্ৰাণীভৱনৰ বৈশিষ্ট্যটো তিব্বত-বৰ্মী শাখাৰ কোন ভাষাৰ প্ৰভাৱত হোৱা বুলি গ্ৰীয়াৰ্ছনে মত প্ৰকাশ কৰিছে?

(ছ) *A Descriptive Analysis of the Bodo Language* শীৰ্ষক গ্ৰন্থখনৰ লিখক কোন?

(জ) কানাই বৰশী বোৱা শিলালিপিৰ আখৰৰ এটা বৈশিষ্ট্য লিখাঁ।

২। (ক) অসমত প্ৰচলিত থাই-চীন শাখাৰ ভাষাকেইটাৰ নাম উল্লেখ কৰি প্ৰতিটোৰে পৰিচয় আগবঢ়োৱাঁ। ৪+১০=১৪

*অথবা*

(খ) অসমত প্ৰচলিত যি কোনো তিনিটা আৰ্যমূলীয় ভাষাৰ এটি পৰিচয় আগবঢ়োৱাঁ। ১৪

৩। (ক) অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহৰ বিষয়ে এটি আলোচনা যুগুত কৰাঁ। ১৪

*অথবা*

(খ) মান্য অসমীয়া ভাষা আৰু কামৰূপী উপভাষাৰ মাজত থকা ভাষাতাত্ত্বিক বৈসাদৃশ্যসমূহ উদাহৰণসহ আলোচনা কৰাঁ।





৪। তলৰ যি কোনো **দুটাৰ** বিষয়ে আলোচনা আগবঢ়োৱাঁ : ৭×২=১৪

(ক) অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক দিশত তিব্বত-বৰ্মী ভাষাসমূহৰ উপাদান

(খ) অসমীয়া ভাষাত থাই-চীন ভাষাসমূহৰ শব্দগত উপাদান

(গ) আৰ্যভিন্ন ভাষাত অসমীয়া ভাষাৰ ৰূপগত আৰু শব্দগত উপাদান

৫। (ক) অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে আলোচনা আগবঢ়োৱাঁ। ১২

*অথবা*

(খ) তলৰ যি কোনো **দুটাৰ** বিষয়ে চমুকৈ লিখাঁ : ৬×২=১২

(১) ব্ৰাহ্মী লিপি

(২) নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি

(৩) ৰোমান লিপি

**( Additional 20 marks for 2023 Batch )**

৬। (ক) অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক বিশেষত্বসমূহ আলোচনা কৰাঁ। ১৪

*অথবা*

(খ) অসমীয়া ভাষাৰ যি কোনো দুটা নৃ-গোষ্ঠীয় উপভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য সম্পৰ্কে চমু আলচ যুগুত কৰাঁ। ৭+৭=১৪

৭। তলৰ যি কোনো **এটাৰ** বিষয়ে চমুকৈ লিখাঁ : ৬

(ক) গোৱালপৰীয়া উপভাষা

(খ) অসমীয়া ভাষাত বড়ো ভাষাৰ ৰূপগত উপাদান

★ ★ ★